# ‘অসম গণিত শিক্ষায়তন’ৰ দশম জয়ন্তীৰ কেইটামান ঝলক আৰু অমলা বেজবৰুৱা বাইদেউৰ কথা অলপ

**ড০ খনীন চন্দ্ৰ চৌধুৰী**

এমেৰিতাছ প্ৰফেছৰ, গুৱাহাটী বিশ্ববিদ্যালয়

প্ৰথমতে সুঁৱৰিছোঁ সেইসকলক, যিসকলৰ দূৰদৰ্শী মগজ প্ৰসূত এই সমাজখনে এক নৱউন্মেষৰ সূচনা কৰিছিল অসমৰ গণিত শিক্ষাৰ জগতখনত। তেখেতসকলৰ কেইগৰাকীমান (শ্ৰদ্ধেয়/শ্ৰদ্ধেয়া) বুদ্ধ প্ৰসাদ চেতিয়া, তাৰকেশ্বৰ চৌধুৰী, অৰবিন্দ দেৱমিশ্ৰ, অমলা বেজবৰুৱা, বিশ্বজিৎ ভাগৱতী, তৰুণ চিৰকাৰ, ৰত্নজিৎ ভট্টাচাৰ্য, কৈলাশ চন্দ্ৰ গোস্বামী (বাকী আৰু আছে, নামবোৰ মনলৈ অহা নাই। দায় নধৰে যেন! তাৰোপৰি আমি অতি স্বাভাৱিক কাৰণতেই ড০, অধ্যাপক আদি লিখা নাই।) আৰম্ভ হৈছিল গণিত আলোচনী ‘গণিত বিকাশ’। মুকলি হৈছিল গণিত-সাহিত্য চৰ্চাৰ এক সুগম পথ। এই সংগঠিত গণিত-সাহিত্য বা গণিত জনপ্ৰিয়কৰণৰ পথ মুকলি হোৱাৰ আগতেই এই পথৰ কিছু সজোৱা-মিলোৱা কাম আৰম্ভ কৰা দুই-তিনিগৰাকী অগ্ৰজকো আমি এই আপাহতে সুঁৱৰিছোঁ। তেখেতসকল হ’ল: বিনয় কুমাৰ তামুলী, ভূপতি চন্দ্ৰ ডেকা, মহেন্দ্ৰ নাথ বৰুৱা, মৃগেন মহন্ত, আদি। পিছে, এক সংগঠিত ৰূপত এনে চিন্তা-চৰ্চাৰ ধাৰাটো বিয়পাই দিছিল প্ৰথমত উল্লেখ কৰা সকলেহে। নাম দিয়া হৈছিল ‘অসম গণিত শিক্ষায়তন’ (ইংৰাজীত Assam Academy of Mathematics, AAM)। এটা সৰু-সুৰা নৱজাগৰণ যেনেই অছিল সেই সময়খিনিত। সমাজখনৰ পিতৃ-মাতৃস্বৰূপ (স্বৰূপা) আছিল “চেতিয়া, চৌধুৰী, মিশ্ৰ, বেজবৰুৱা”। মাকৰ দায়িত্ব পালিলে অমলা বেজবৰুৱাই (বাইদেউ) সমাজখনৰ ‘লোগো’ বা ‘প্ৰতীক’ বা ‘প্ৰতিৰূপ’টোক সাকাৰ কৰি।

‘গণিত বিকাশ’ৰ পাততেই আৰম্ভ হৈছিল কেইজনমানৰ অভ্যাস— লেখা-মেলাৰ, গণিত সম্পৰ্কীয়। তাতেই আমাৰ প্ৰথমটো গণিত সম্পৰ্কীয় লেখা আছিল ‘এটা অতুলনীয় অনুপাত $\phi$ (ফাই)’। কৈলাশ গোস্বামী, বিশ্বজিৎ ভাগৱতী, ৰেৱতীমোহন দত্তচৌধুৰী, মহেন্দ্ৰ নাথ বৰুৱা, আদিকে ধৰি ভালেকেইজনে কলম হাতত ল’লে। এক নতুন আৱহাৱাই সকলোকে উৎসাহিত কৰিলে। সেই সময়ৰে পৰা গণিত শিক্ষায়তনে ভালেকেইবছৰ অতিক্ৰম কৰিলে।

গণিত অলিম্পিয়াড আৰম্ভ হ’ল– এক নতুন মাত্ৰা প্ৰদান কৰিলে। বহুকেইজন নতুনে আশাৰ বতৰা দিলে। তাৰে ভিতৰত নীৰজ কয়ল অন্যতম। আমাৰ গৌৰৱ, অসমৰ গৌৰৱ হিচাপে চিহ্নিত হ’ল। গণিত বিকাশেই নতুন সম্ভাৱনাপূৰ্ণ প্ৰজন্মক চিনাক্ত কৰি ল’লে। ইফটিকাৰ, মৃণাল কলিতা এইসকলৰে মাজত আছে।

এনেদৰে গণিত শিক্ষায়তনে দহ বছৰ অতিক্ৰম কৰিছিল ১৯৯৬ চনত। এটা উৎসৱৰ আয়োজন হৈছিল কটন কলেজত। আমাৰ সকলোৰে মন উদুলি-মুদুলি। কিনো নতুনত্ব থকা কাম দেখুৱাব পৰা যায়!

আমাৰ মনলৈ আহিছিল গণিত বিষয়ক এখন তোৰণ আৰু গণিত প্ৰদৰ্শনী। তাতোকৈ অন্য এটা চিন্তা আহিছিল– গণিত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰা হ’ব– সচৰাচৰ কেঁচীৰে ফিটা কটাৰ সলনি ‘টপোলোজিকেল নট্’ খুলি!! আমাৰ পৰামৰ্শকে লৈ আগবাঢ়িছিল সোদৰ প্ৰতিম ‘ভৱ’কে (ড০ ভৱ শৰ্মা) ধৰি আন কেইজনমানে। জ্যোতিপ্ৰসাদৰ “তোৰে মোৰে আলোকৰে যাত্ৰা”ৰে মুকলি কৰা হৈছিল– মুকলি সভাখন। অসমীয়া নুবুজাসকলৰ বাবে আছিল ইংৰাজী অনুবাদৰ অলপ– “Unfailing is this journey of life together”। ভাগ লৈছিল কটনৰ পৰা নিৰুপমা দেৱী, ভৱ শৰ্মা, চাউথপইণ্ট স্কুলৰ পৰা মৈত্ৰেয়ী আৰু তেওঁৰ বান্ধৱী।

আমাৰ সুঁৱৰত অহা নাছিল– “সেউজীয়া জীৱনৰে জাগৃতি” ছন্দখিনি। ভৱই শিকাই দিছিল– ছাৰ! এইখিনি শুদ্ধ স্বৰত সা-ৰে-গা-মা গাই গ’লেই হ’ল। আৰু আমি (মই) তাকেই কৰিছিলোঁ আৰু শিকিছিলোঁ বঢ়িয়াকৈ। তোৰণখন সাজোঁতে ভৱ শৰ্মাই যি শ্ৰম

দিছিল, সেয়া কোনো কালেই নাপাহৰোঁ। ঠিক শ্রমিক এজনৰ দৰেই খাটিছিল, এইজন শ্রমক মর্যাদা দিয়া নতুনে (সেই সময়ত নতুন এজন)! অমলা বাইদেৱেও আমাক নিৰাশ কৰা নাছিল– তোৰণ মুকলি কৰা নতুনত্বখিনি দিবলৈ যাওঁতে। আমি অতি উৎসাহিত হৈছিলোঁ। তোৰণৰ কল্পনাখিনি আছিল এনে ধৰণৰ:

তোৰণৰ দুটা খুটা থাকিব– দুটা চিলিণ্ডাৰ। সমান জোখৰ। ইয়াত গণিত অনা হৈছিল ইয়াৰ সৈতে দুটা শংকু জড়িত কৰি লৈ। একে ভূমি আৰু একে উচ্চতাৰ শংকুৰ আয়তন চিলিণ্ডাৰৰ এক তৃতীয়াংশ। আৰু তাকেই এক বতৰা কৰি দিছিলোঁ– ছাত্রই গম নোপোৱাকৈয়ে শিকক বুলি। প্রেক্ষাপটত আছিল চাইক্লয়ড আৰু ভিন্ন বক্রৰ দ্বিমাত্রিক প্রকাশ। মাটিত আছিল অসীমক বুজোৱা এডাল ৰচি, খুটা দুটাক আগুৰি থকাকৈ।

এই উদযাপনৰ কেইখনমান পুৰণি ফটো বিচাৰি পাই গণিত বিকাশৰ সম্পাদকক দিলোঁ। পাঠকক এই অভিজ্ঞতাৰ ভাগীদাৰ কৰাৰ মানসেৰে। সম্পাদকৰ পৰামর্শ মর্মে আহিছোঁ শ্রদ্ধেয়া অমলা বাইদেউৰ কথালৈ। খুব কমেইহে জানে বাইদেউৰ কথা; বাইদেউৰ নামত দি অহা বঁটাটোৰ জৰিয়তে কিছু কথা জ্ঞাত হৈ আছে যদিও। আমি (ব্যক্তিগতভাৱে) অমলা বাইদেউৰ জহত "মেথেমেটিকেল লজিক" বিষয়টো পঢ়ি স্নাতকোত্তৰ শ্রেণীত শিকাবলৈ সুযোগ পাইছিলোঁ; গাণিতিক-লজিকৰ জগতখনত সোমাই পৰি এক অনির্বচনীয় সুখ তথা আনন্দ পাইছিলোঁ।

বিভাগীয় সেইকালৰ শিক্ষকচামৰ, আমি জুনিয়ৰখিনিয়ে, চিনিয়ৰৰ পৰা বহুত শিকিছিলোঁ। তেখেতসকলে এটা পৰিবেশ দিছিল বিভাগটোত। টী-টেবিলত গণিতৰ উপৰি বৰণীয়া আলোচনাই বিভাগটোক এটা অনন্য মাত্রা প্রদান কৰিছিল। অপ্রিয় হলেও ক'ব লাগিব সেই পৰিৱেশটো আজি কিবা কাৰণত অনুপস্থিত। তেনে এক আলোচনাৰ ফলতেই আমি এই লেখাটোত সংযোগ কৰা সৰু কবিতাহেন লেখা এটাৰে অমলা বাইদেউ মানুহগৰাকীৰ ব্যক্তিত্ব তথা জ্ঞানৰ পৰিধিখিনি প্রকাশ কৰিছিলোঁ তেখেতৰ বিয়োগৰ পিছত। তেখেতে আমাৰ সমুখত যিদৰে দেখা দিছিল তাক খুলি দিবলৈ প্রয়াস কৰিছিলোঁ – বাইদেউৰ নামত দি অহা বঁটা প্রদানৰ এক সভাত। গণিত বিকাশৰ সম্পাদকৰ পৰামর্শ মর্মে লেখাটো ইয়াত সংযোগ কৰা হৈছে।

**বিঃদ্রঃ** এয়া আমাৰ একান্ত নিজা অনুভৱহে। কবিতাটোৰ প্রকাশৰ সমস্ত দোষ-গুণ আমাৰ। এই লেখাটোৰ মাজেৰে অমলা বেজবৰুৱাক যেনেদৰে দেখিছিলোঁ তাৰেই এটা ৰূপ দিবলৈ প্রয়াস কৰিছোঁ।

## অমলা-প্রশস্তি

লক্ষ্মী তুমি, অচলা তুমি, তুমি অমলা।
তোমাকে সুঁৱৰিছোঁ আজি।
অভিজাত তুমি– তোমাৰ শব্দৰ বাছনিত,
অভিজাত তুমি– তোমাৰ সজ্জাৰ বাছনিত,
অভিজাত তুমি– তোমাৰ বিষয়ৰ বাছনিত,
কুর্টগোডেলৰ ল'জিক আছিল সেয়া।
অনুপমা তুমি, তোমাৰ সংগীৰ আড্ডাত,
অনুপমা তুমি, তোমাৰ সমুদ্র-ভ্রমণৰ বর্ণনাত,
অনুপমা তুমি, তোমাৰ নীতিৰ কঠোৰতাত,
অনুপমা তুমি, তোমাৰ শিষ্টাচাৰৰ মধুৰতাত।
অনুকৰণীয় তোমাৰ সূক্ষ্ম জাতীয় চেতনা,
অনুকৰণীয় তোমাৰ– সৌন্দর্যবোধ,
অনুকৰণীয় তোমাৰ– বুদ্ধিদীপ্ত ব্যংগ-চেতনা,
অনুকৰণীয় তোমাৰ– অনুজৰ প্রতি প্রেৰণাদায়ক প্রশস্তি-বোধ।
শ্রদ্ধাশীলা তুমি– বিজ্ঞজনৰ প্রতি,
শ্রদ্ধাশীলা তুমি– অধ্যৱসায়ী নিষ্ঠাৱানৰ প্রতি।
তোমাৰ স'তে সংগ যে আমাৰ– বহুমাত্রাৰ স্মৃতি।
তোমাৰ স'তে আলাপ আমাৰ—
আজিও যে মন-গহনত অনুৰণিত সিটি।
সুঁৱৰোঁ আজিও– আমাৰ সেই হিমালয় আলোচনা, এই বিভাগতে।
বিয়পোৱা অতি-মানৰ,
সেয়া আজি যেন– হেৰা পোৱা মাথোঁ এক অনুভৱ।
আৰু– এয়া গীতা নে কবিতা—।
"নেভাবিবা আছিল কোনোবা কাল,
যেতিয়া নাছিলোঁ মই, তুমিও নাছিলা,
নাছিল জীয়াই এই নৃপতি মণ্ডলী,
নেভাবিবা আহিব এনুৱা কাল,
যেতিয়া নোহোৱা হ'ম তুমি মই - সকলোটি প্রাণী।
এই পথে আছে মাথোঁ একান্ত বুদ্ধিৰ জয়।
একান্ত নহয় যাৰ, সত্য অন্বেষণ বহু শাখা পল্লৱিত,
সিবোৰৰ সাধনাই নেপায় বিচাৰি সত্য।
মাথোঁন উজুটি খায়
শিলে-শিলে আলি দোমোজাত।
আৰু আছে তেনে কথা
মহেন্দ্র বৰাৰ 'গীতা'ৰ—
"লাহ দিয়া বেলিটোৰ ৰঙীন পৰত এই জীৱনৰ
যিজনে কটায় ক্ষণবোৰ মোৰে কথা সুঁৱৰি-সুঁৱৰি
সিজনাৰ মনৰ চকুটো ভৰি উঠে মোৰেই ভাৱেৰে,
মৰণৰ সিপাৰলৈ গৈ বিচাৰিব নেলাগে একোকে
ভাৱৰ চকুটো লৈ তেওঁ জানা– মই হৈ যায়।
– এনেকৈয়ে এদিন আমাৰ আড্ডা জমিছিল,
গণিত আৰু ল'জিকৰ পৰা 'মহেন্দ্র-বৰাৰ-গীতা' পাইছিল।
আজিও মনত আছে– আমাৰ আলোচনা
মহেন্দ্র-বৰাৰ গীতানুবাদ যে কবিতা -
আধুনিক কবিতা হৈছেগৈ।
হে অমলা, হে অচলা,
তোমাৰ প্রতি শ্রদ্ধা নিবেদিছোঁ।